**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 20-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::::**

পৰিবেশ সংৰক্ষণৰ ক্ষেত্ৰ লৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে হাড়গিলা বাইদেউখ্যাত ড০ পূৰ্ণিমা দেৱী বৰ্মনলৈ টাইম আলোচনীয়ে এই বৰ্ষৰ শ্ৰেষ্ঠ মহিলাৰ সন্মান আগবঢ়াইছে। বিশ্বৰ বিভিন্ন ক্ষেত্ৰত নিজস্ব প্ৰতিভাৰে উজ্জ্বলি উঠা আৰু সমাজলৈ বিশেষ বৰঙণি আগবঢ়োৱা আন ১৩গৰাকী মহিলাসহ ড০ পূৰ্ণিমা দেৱী বৰ্মনলৈ এই সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ পূৰ্বে ড০ বৰ্মনে গ্ৰীণ অস্কাৰ বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল।

০০০০০০০০

শিলচৰ চহৰৰ মালুগ্ৰাম বিবেকানন্দ লেনত আজি সংঘটিত এটা অগ্নিকাণ্ডৰ ঘটনাত ৬টা বাসগৃহ ভস্মীভূত হয়। আৰক্ষীয়ে চলোৱা প্ৰাথমিক অনুসন্ধানত এই ঘটনা চিলিণ্ডাৰ বিস্ফোৰণৰ ফলত সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। ৪খন অগ্নিনিৰ্বাপক বাহনে জুই নিৰ্বাপিত কৰে যদিও এই অগ্নিকাণ্ডৰ ঘটনাত কেইবা লাখ টকা মূল্যৰ সা-সম্পত্তি নষ্ট হয়।

০০০০০০০০

দৰং জিলাৰ খাৰুপেটীয়াৰ জংঘলপাৰাত আৰক্ষীয়ে গোপন সূত্ৰৰ ভিত্তিত এখন সাৰৰ দোকানৰ পৰা বৃহৎ পৰিমাণৰ অবৈধ সাৰ জব্দ কৰে। আৰক্ষীয়ে জব্দ কৰা এই অবৈধ সাৰৰ ব্যৱসায়ৰ লগত জড়িত এজন লোকক আটক কৰে। কৃষি প্ৰধান অঞ্চল খাৰুপেটীয়াত দীৰ্ঘদিন ধৰি কোনো দুষ্ট চক্ৰই অবৈধ সাৰৰ ব্যৱসায়েৰে কৃষকক প্ৰৱঞ্চনা কৰি আহিছে। ঘটনাটো সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০০

২০২৪ বৰ্ষৰ ড০ ভৱেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী বঁটা  জনপ্ৰিয় কণ্ঠশিল্পী, সংগীত পৰিচালক, সুৰকাৰ ৰূপম ভূঞাক প্ৰদান কৰা হয়। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি শিল্পীগৰাকীলৈ এই বঁটা আগবঢ়োৱা হয়। অসমীয়া ভাষা-সাহিত্য,সংস্কৃতিৰ অন্যতম খনিকৰ ড০ ভৱেন্দ্ৰ নাথ শইকীয়াৰ ওপজা দিনটো প্ৰতিবছৰে ২০ ফেব্ৰুৱাৰীত  বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰি অহা হৈছে। সেই অনুসৰি আজি আৰু কাইলৈ দুদিনীয়া কাৰ্যসূচীৰে ড০ ভৱেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী বঁটা আৰু নাট  সমাৰোহৰ আয়োজন কৰা হয়। আজি সন্ধিয়া কলাক্ষেত্ৰত আয়োজন অনুষ্ঠানত ৰূপম ভূঞালৈ আগবঢ়োৱা এই বঁটাত আছে নগদ ৫০ হাজাৰ টকা, গামোচা, মানপত্ৰ,স্মাৰক আৰু কিতাপৰ টোপোলা। বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট সাংবাদিক প্ৰশান্ত ৰাজগুৰু, বিজ্ঞানী তথা শিক্ষাবিদ ড০ কুলেন্দু পাঠক, অসম চৰকাৰৰ পৰ্যটন সচিব পদ্মপানী বৰা, সাংস্কৃতিক সংগঠক কৃষ্ণ ৰয়ৰ আদিৰ লগতে বহু সংখ্যক লোক উপস্থিত থাকে। ড০ ভৱেন্দ্ৰ নাথ শইকীয়া বঁটা গ্ৰহণ কৰি শিল্পী ৰূপম ভূঞাই ভৱিষ্যতে আৰু অধিক ভাল কাম

কৰি যাবলৈ উৎসাহিত হৈছে বুলি প্ৰকাশ কৰে। সন্ধিয়া চাৰে ৬ বজাত বিদ্যুত কুমাৰ নাথৰ ৰচনা-পৰিকল্পনা আৰু পৰিচালনাৰে ৰঘুনাথ শীৰ্ষক এখন নাট মঞ্চস্থ কৰা হয়। কাইলৈ ড০ ভৱেন্দ্ৰ নাথ শইকীয়াৰ ৰচনা আৰু প্ৰাঞ্জল মাধৱ ভৰদ্বাজৰ পৰিচালনাৰে শতাব্দী শীৰ্ষক নাটখন মঞ্চস্থ কৰা হ'ব বুলি আৰোহণ ন্যাসৰ মুখ্য ন্যাসৰক্ষী প্ৰীতি শইকীয়াই জানিবলৈ দিয়ে।

০০০০০০০০

অসম চৰকাৰে ই-ষ্টাম্পসমূহত আৰোপ কৰা সেৱাকৰ আৰু জি এছ টিসহ এই ষ্টাম্পসমূহ স্বীকৃত কেন্দ্ৰৰ পৰাহে ক্ৰয় কৰিবলৈ আহ্বান জনাইছে। ৰাজ্য চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে এটা বিবৃতিযোগে এই বিষয়ে প্ৰকাশ কৰিছে। এই অনুসৰি ৫০ টকা পৰ্যন্ত ষ্টাম্পত অতিৰিক্ত দহ টকা, ৯৯ টকা পৰ্যন্ত ১৫, ৯৯ৰ পৰা ৪৯৯ টকা পৰ্যন্ত ২০ আৰু ৪৯৯ৰ পৰা এহেজাৰ টকা পৰ্যন্ত ষ্টাম্পত ৩০ টকাকৈ মাছুল দিব লাগিব।

০০০০০০০০

উত্তৰ লখিমপুৰ ঘাৰমৰা সৰু সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী বিষ্ণু দেৱ গোস্বামীয়ে কালি শিৱসাগৰ জিলাৰ জাজী খাতুৱাল বৰনামঘৰৰ চাৰিজন ভকতক সত্ৰৰ নীতি নিয়ম অনুসৰি দায়িত্ব অৰ্পণ কৰে। সেই অনুসৰি নবীন দত্তক বৰমেধী, প্ৰণৱ কুমাৰ দত্তক মুক্তিয়াৰ, প্ৰফুল্ল ফুকনক সহকাৰী মেধী আৰু নিত্যানন্দ দত্তক পাচনিৰ দায়িত্ব অৰ্পণ কৰা হয়।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰিবলগীয়া দৃষ্টিপাতত **টেলিভিছনৰ ধাৰাবাহিকৰ একাংশ অভিনেতা-অভিনেত্ৰী, পৰিচালক আৰু কলা-কুশলীৰ সৈতে মত বিনিময়ৰ** এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি তৃতীয় দিনা ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই আলোচনাত অংশগ্ৰহণ কৰি কেইবাটাও গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে কোকৰাঝাৰত অনুষ্ঠিত অধিৱেশনে অখণ্ডিত অসমৰ বাৰ্তা দিছে আৰু এই অধিৱেশনে সমাগত ৫০ বছৰলৈ অসমত বিভাজনৰ আন্দোলন নহয় বুলি প্ৰমাণ কৰিছে।

০০০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি ডুবাইত অনুষ্ঠিত এখন খেলত বাংলাদেশে ভাৰতক জয়ৰ বাবে ২২৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত টছত জিকি প্ৰথমে বেটিঙৰ সিদ্ধান্ত লোৱা বাংলাদেশৰ দলটোৱে আটাইকেইটা উইকেট হেৰুৱাই ২২৮ ৰাণহে কৰিবলৈ সক্ষম হয়। দলৰ হৈ তৌহিদ হৃদয়ে সৰ্বাধিক ১০০ ৰাণ আৰু জাকিৰ আলীয়ে ৬১ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ মহম্মদ শ্বামীয়ে ৫টা, হৰ্ষিত ৰাণাই ৩টা আৰু অক্ষৰ পেটেলে দুটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে নিজৰ বেটিং আৰম্ভ কৰি

বাতৰি যুগুতোৱা পৰলৈকে ৪০ অ'ভাৰ ৩ টা বলত ৪ টা উইকেট হেৰুৱাই ১৯০ ৰাণ কৰি খেলি আছে। ৰোহিত শৰ্মাই ৩৬ টা বলত ৪১ ৰাণ কৰি আউট হয়।

০০০০০০০০

সমাপ্ত